জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৫৫/২০২০

# প্ৰাক্তন বিধায়ক সুৰেন্দ্ৰ নাথ স্বৰ্গীয়াৰীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৩ মে'ঃ** প্ৰাক্তন বিধায়ক সুৰেন্দ্ৰ নাথ স্বৰ্গীয়াৰীৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত স্বৰ্গীয়াৰীয়ে অসমৰ সমাজ জীৱনলৈ যি বলিষ্ঠ অৰিহণা আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এগৰাকী বিধায়ক হিচাপে তেওঁ ৰাজ্যখনৰ লগতে চাপাগুৰি বিধানসভা সমষ্টিৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা আগবঢ়াই গৈছে। বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকিও তেখেতে এই অনুষ্ঠানসমূহৰ উত্তৰণৰ বাবে কাম কৰি গৈছে। তেখেতৰ বিয়োগ ৰাজ্যখনৰ ৰাজনৈতিক তথা সামাজিক জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত সুৰেন্দ্ৰ নাথ স্বৰ্গীয়াৰীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / প্ৰঃকুঃবঃ**
**১৩/৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in